**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***

——————————————————

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন সাংস্কৃতিক কেন্দ্ৰত নীতি আয়োগৰ পৰিচালনা পৰিষদৰ একাদশ বৈঠক।

২। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ গুৱাহাটীত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ।

৩। ৰাজ্যৰ ঠাই বিশেষে পৰৱৰ্তী দুদিনত বিজুলী-ঢেৰেকনিৰে ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা। **আৰু**

৪। আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু মেক্সিক'ত আজিৰেপৰা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন সাংস্কৃতিক কেন্দ্ৰত নীতি আয়োগৰ পৰিচালনা পৰিষদৰ একাদশ বৈঠক অনুষ্ঠিত হৈছে। বৈঠকত দেশৰ আটাইকেইখন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ উপ-ৰাজ্যপালসকলে ভাগ লৈছে। সম্প্ৰতি দিল্লী ভ্ৰমণৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাইও বৈঠকত অংশগ্ৰহণ কৰিছে। বৈঠকত দেশৰ দীৰ্ঘম্যাদী বিকাশৰ বাবে গুৰুত্বপূৰ্ণ বিষয়ক লৈ বিতংভাৱে আলোচনা কৰা হ'ব। বিকশিত ভাৰত গঢ়াৰ বাবে টীম ইণ্ডিয়াৰ মানসিকতাৰে কাম কৰাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী অনুযায়ী এই বৈঠকৰ বাবে 'বিকশিত ভাৰত, ২০৪৭-ৰ বাবে সৰ্বাত্মক মানৱ উন্নয়ন'ক বিষয়বস্তু হিচাপে বাছনি কৰা হৈছে। ইয়াৰ জৰিয়তে বয়স, অঞ্চল, লিংগ অথবা আৰ্থ-সামাজিক পৃষ্ঠভূমি নিৰ্বিশেষে প্ৰতিগৰাকী ভাৰতীয়ৰ কল্যাণ আৰু উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হৈছে। শ্ৰীমোদীয়ে কালি পূৰ্বৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ ৪ হাজাৰ ৩৯৮ দিনৰ অভিলেখ ভংগ কৰি এই কৃতিত্ব অৰ্জন কৰে।

শ্ৰী মোদীয়ে সৰ্বাধিক সময়ৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা উপলক্ষে কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে আজি গুৱাহাটীৰ শ্ৰীশ্ৰী দৌল গোবিন্দ মন্দিৰত সেৱা লয়। ইয়াৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এখন জনসভাত অংশগ্ৰহণ কৰে আৰু মোদী চৰকাৰে বিগত ১২ বছৰত গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক আঁচনিৰ খতিয়ান দিয়ে। তেওঁ লগতে বিকশিত ভাৰত সংকল্প সন্মিলনৰ অংশ হিচাপে উত্তৰ গুৱাহাটীৰ কেইবাগৰাকীও বিশিষ্ট জ্যেষ্ঠ ব্যক্তিৰ বাসগৃহলৈ গৈ মত বিনিময় কৰে। মত বিনিময়ৰ সময়ত তেওঁক ৰাজ্যৰ কেবিনেট মন্ত্ৰী কৃষ্ণেন্দু পাল আৰু বিজয় গুপ্তাই সংগ দিয়ে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুত বিজেপিয়ে প্ৰধানমন্ত্ৰী মোদীৰ অভিলেখক লৈ প্ৰগতি যাত্ৰাত অংশ লয়।

oooooo

অসম-নাগালেণ্ড সীমান্তত তেল আৰু গেছৰ অন্বেষনৰ বাবে কেন্দ্ৰীয় চৰকাৰ, অসম আৰু নাগালেণ্ডৰ মাজত আজি নতুন দিল্লীৰ গৃহ মন্ত্ৰালয়ত এখন ত্ৰিপাক্ষিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হ'ব। অনুষ্ঠানত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ', কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহন আৰু কেন্দ্ৰীয় চৰকাৰ তথা দুয়োখন ৰাজ্যৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব। এই চুক্তিখনে অসম-নাগালেণ্ড সীমান্ত অঞ্চলত ব্যাপক পৰিসৰত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ অন্বেষণ আৰু উৎপাদনৰ দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে। অঞ্চলটোত মূল্যবান হাইড্ৰ' কাৰ্বনৰো ভাণ্ডাৰ আছে বুলি জনা যায়। অৱশ্যে দুয়োখন ৰাজ্যৰ মাজত দীৰ্ঘদিনীয়া সীমা বিবাদৰ বাবে এতিয়ালৈকে এই সম্পদৰাজিৰ সদ্ব্যৱহাৰ কৰিব পৰা হোৱা নাই। প্ৰস্তাৱিত চুক্তিখনে অৰ্থনৈতিক উন্নয়নৰ নতুন সুযোগ সৃষ্টি কৰি দুয়োখন ৰাজ্যকে একেলগে কাম কৰাত সহায় কৰিব।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী দুদিনত ৰাজ্যৰ ঠাইবিশেষে বিজুলী-ঢেৰেকনিৰে ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগে প্ৰকাশ কৰা মতে অহা দুই-তিনিদিনত ৰাজ্যৰ অধিকাংশ ঠাইত পাতলীয়াৰ পৰা মজলীয়া আৰু পশ্চিম তথা দক্ষিণ প্ৰান্তৰ জিলাসমূহৰ কোনো কোনো ঠাইত ধাৰাসাৰ বৰষুণ হ'ব পাৰে। এই সময়ছোৱাত ঠাই বিশেষে ৭ৰ পৰা ২০ ছেণ্টিমিটাৰ পৰ্যন্ত বৰষুণ হ'ব পাৰে বুলি বিভাগে সকিয়াই দিছে।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এটা বিবৃতিযোগে পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি থকা হৈছে আৰু জৰুৰীকালিন পৰিস্থিতিৰ বাবে সঁহাৰি ব্যৱস্থা সাজু কৰি ৰখা হৈছে বুলি প্ৰকাশ কৰিছে। প্ৰাধিকৰণে গুৱাহাটীৰ জনসাধাৰণক ধাৰাসাৰ বৰষুণৰ আগলি বতৰালৈ চাই প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন কৰিবলৈ আৰু সচেতন হৈ থাকিবলৈ আহ্বান জনাইছে। নিয়মীয়া আৰু দূৰণিবতীয়া যাত্ৰীসকলক বৰষুণৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি যাত্ৰাৰ পৰিকল্পনা যুগুতাবলৈ আৰু বৰষুণৰ সময়ছোৱাত অনাহক যাত্ৰা এৰাই চলিবলৈ কোৱা হৈছে। দঁ আৰু পাহাৰীয়া এলেকাত বাস কৰা লোকসকলকো সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

দৰং জিলাৰ দলগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত বেছিমাৰীত কালি জিলা প্ৰশাসনে উচ্ছেদ অভিযান চলায়। জিলা প্ৰশাসনে অভিযানকালত দীৰ্ঘদিনে একাংশ লোকে ৰাষ্ট্ৰীয় ঘাইপথ তথা পথৰ কাষৰ চৰকাৰী ভূমি দখল কৰি অবৈধভাৱে গঢ়ি তোলা দোকান-পোহাৰ উচ্ছেদ কৰে। পথৰ কাষৰ ভূমিত এনেদৰে দোকান-পোহাৰ গঢ়ি উঠাত অঞ্চলটোত দীৰ্ঘদিনে দৈনিক তীব্ৰ যান-জঁটৰ সৃষ্টি হৈছিল আৰু ইয়াৰ ফলত অঞ্চলটোৰ সাধাৰণ ৰাইজ আৰু পথাচাৰীয়ে সমস্যাৰ সন্মুখীন হৈছিল। জিলা প্ৰশাসনে এই উচ্ছেদ অভিযানত কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি নোহোৱাকৈয়ে শান্তিপূৰ্ণভাৱে উচ্ছেদ কাৰ্যসূচী সম্পন্ন কৰা হয় বুলি প্ৰকাশ কৰে।

ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যখনৰ বনাঞ্চল সুৰক্ষিত কৰাৰ স্বাৰ্থত চাৰিখন সংৰক্ষিত বনাঞ্চলত উচ্ছেদৰ চৰকাৰী সিদ্ধান্তৰ সপক্ষে ৰায় দিয়ে। নগাঁও জিলাৰ লুটুমাই, যমুনাৰ মৌদংগা, নামবৰ দক্ষিণ আৰু বৰপানী সংৰক্ষিত বনাঞ্চলত উচ্ছেদ চলোৱাৰ বাবে ন্যায়ালয়ে ৰাজ্য চৰকাৰক সেউজ সংকেত দিছে। এই উচ্ছেদৰ জাননীৰ প্ৰত্যাহ্বান জনাই চাৰি শতাধিক আবেদনকাৰীয়ে দাখিল কৰা সকলো আবেদন উচ্চ ন্যায়ালয়ে খাৰিজ কৰে। এই অনুসৰি বন বিভাগে চলিত বছৰৰ ৭ মাৰ্চত জাৰি কৰা জাননীৰ আধাৰত

বনাঞ্চলখনৰ ভূমি অবৈধভাৱে দখল কৰি থকা লোকসকলৰ বিৰুদ্ধে উচ্ছেদ চলাব পাৰিব। উচ্চ ন্যায়ালয়ে ৩০ দিনৰ ভিতৰত দখলকাৰীয়ে এই অঞ্চলসমূহ খালী নকৰিলে চৰকাৰে উচ্ছেদ চলাব পাৰিব বুলি উল্লেখ কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ দেৱাশীষ বৰাৰ বিচাৰপীঠে সোমবাৰে দিয়া ৰায়ত আবেদনকাৰীসকলে কোনো বৈধ আবণ্টনপত্ৰ বা ভূমি নিষ্পত্তি অবিহনে সংৰক্ষিত বনাঞ্চলৰ ভূমি দখল কৰি থকা হেতুকে তেওঁলোকক অবৈধ দখলকাৰী হিচাপে গণ্য কৰা হ'ব বুলি প্ৰকাশ কৰে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ বন বিভাগে এই বনাঞ্চলসমূহৰ অবৈধ দখলকাৰীলৈ ৭ মাৰ্চত ১৫ দিনৰ ভিতৰত সেই স্থান খালী কৰিবলৈ জাননী জাৰি কৰিছে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বাৰিষাকালৰ প্ৰতি লক্ষ্য ৰাখি বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে উদ্যান কৰ্তৃপক্ষই তৎপৰতা চলাইছে। বন্যপ্ৰাণীৰ সুৰক্ষা আৰু জৰুৰী চিকিৎসা সেৱা নিশ্চিত কৰাৰ বাবে কঁহৰা ৰাজ্যিক পশু চিকিৎসালয়খন সম্পূৰ্ণৰূপে সাজু কৰি তোলা হৈছে। চিকিৎসালয়খনে এইক্ষেত্ৰত ১৯৬২ বিশেষ হেল্পলাইন নম্বৰ মুকলি কৰাৰ লগতে **পশুধন সাৰথী** নামৰ এখন বিশেষ বাহনো সাজু কৰি ৰাখিছে। বানৰ সময়ত বিপদত পৰা বন্যপ্ৰাণী বা আন জীৱ-জন্তুৰ উদ্ধাৰৰ বাবে পশুপালন আৰু পশু চিকিৎসা বিভাগে মুকলি কৰা **পশুধন সাৰথী**ৰ বাহনত এজন পশু চিকিৎসককো নিয়োজিত কৰা হৈছে। কোনো জীৱ-জন্তু বিপদত পৰা দেখিলে ৰাইজে নিজে উদ্ধাৰৰ পৰিৱৰ্তে তৎক্ষণাত ১৯৬২ নম্বৰত ফোন কৰি বন বিভাগ অথবা পশু চিকিৎসা বিভাগক অৱগত কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিকৰ প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ বাবে বছৰজোৱা পৰীক্ষাৰ সম্ভাব্য সময়সূচী প্ৰকাশ কৰিছে। পৰিষদে জাৰি কৰা অধিসূচনা অনুসৰি পৰৱৰ্তী উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা ২০২৭ চনৰ ফেব্ৰুৱাৰী-মাৰ্চত অনুষ্ঠিত হ'ব। উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ বাবে জুনত প্ৰথম গোট পৰীক্ষা, ছেপ্তেম্বৰত ছমহীয়া পৰীক্ষা, অক্টোবৰত দ্বিতীয় গোট পৰীক্ষা আৰু ডিচেম্বৰত পুনৰীক্ষণমূলক পৰীক্ষা অনুষ্ঠিত হ'ব। পৰীক্ষাৰ অন্যান্য সময়সূচী অনুসৰি উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বাবে আগষ্টত প্ৰথমটো গোট পৰীক্ষা অনুষ্ঠিত হ'ব। একেদৰে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছমহীয়া পৰীক্ষা নৱেম্বৰত আৰু ২০২৭ চনৰ জানুৱাৰীত দ্বিতীয়টো গোট পৰীক্ষা অনুষ্ঠিত হ'ব। ৩১ মাৰ্চৰ পূৰ্বে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বছৰেকীয়া পৰীক্ষা অনুষ্ঠিত হ'ব। অধিসূচনাত উল্লেখ থকা অনুসৰি উচ্চতৰ মাধ্যমিক প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ সকলো গোট পৰীক্ষা, ছমহীয়া, পুনৰীক্ষণমূলক আৰু বছৰেকীয়া পৰীক্ষাৰ সকলো উচ্চতৰ মাধ্যমিক বিদ্যালয়ে বাধ্যতামূলকভাৱে অনুষ্ঠিত কৰিব লাগিব।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বন বিভাগ আৰু আৰক্ষীৰ দলে অভিযান চলাই যোৱা নিশা দুজন চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে ৰাষ্ট্ৰীয় উদ্যানখনৰ অগৰাতলি বনাঞ্চলত যোৱা নিশা বন বিভাগ আৰু গোলাঘাট আৰক্ষীয়ে গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই বোকাখাতৰ জিণ্টু ওৱাং আৰু কাৰ্বি আংলঙৰ সৰ্বাং ৰংহাং নামৰ চোৰাং চিকাৰী দুজনক গ্ৰেপ্তাৰ কৰে। ধৃত লোক দুজনৰ পৰা দুটা হস্তনিৰ্মিত বন্দুক আৰু এখন মটৰচাইকেল উদ্ধাৰ কৰা হয়। দুয়োজনে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত প্ৰৱেশ কৰি বন্যপ্ৰাণী নিধনৰ পৰিকল্পনা কৰিছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আজিৰেপৰা ১৯ জুলাইলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু মেক্সিক'ৰ ১৬ টা স্থানত অনুষ্ঠিত হ'ব। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত এইবাৰ প্ৰথম বাৰৰ বাবে ৩২ খন দেশৰ পৰিৱৰ্তে ৪৮ খন দেশে অংশগ্ৰহণ কৰিব। এই দলসমূহক ১২ টা গ্ৰুপত ভাগ কৰা হৈছে আৰু প্ৰতিটো গ্ৰুপত চাৰিটাকৈ দল থাকিব। প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দল দুটাই পোনপটীয়াকৈ নক-আউট পৰ্যায়ত প্ৰৱেশ কৰিব। ইয়াৰ উপৰি তৃতীয় স্থানত থকা দল কেইটাও নক-আউট পৰ্যায়লৈ যোগ্যতা লাভ কৰিব।

প্ৰতিযোগিতাত মুঠ ১০৪ খন খেল অনুষ্ঠিত হ'ব। ইয়াৰে ভিতৰত ৭২ খন গ্ৰুপ পৰ্যায়ত আৰু ৩২ খন নক-আউট পৰ্যায়ৰ খেল আছে। ফাইনেল খেল ১৯ জুলাইত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আজি আয়োজক দেশ মেক্সিক', দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

000000

**সমাপ্ত**